# অসম বিধান সভা

# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

# বৃহস্পতিবাৰ, ২৩ জুলাই, ২০২৬

**বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), তথ্য প্ৰযুক্তি, সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান, এক্ট ইষ্ট পলিচি এফিয়াৰচ, খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, সমবায়।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

*বিষয় ঃ* ইটা ভাটা উদ্যোগ সম্পৰ্কে

ড° পৰমানন্দ ৰাজবংশী ঃ

৪৪৮। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছিপাঝাৰ বিধান সভা সমষ্টিত কিমানটা আৰু কোন কোন স্থানত ইটা ভাটা উদ্যোগ স্থাপন কৰা হৈছে, তাৰ সবিশেষ তথ্য জনাব। লগতে, উক্ত উদ্যোগসমূহৰ মালিকীস্বত্ব থকা ব্যক্তিসকলৰ নাম-ঠিকনা উল্লেখ কৰি ৰাজহ চক্ৰ ভিত্তিক তথ্য প্ৰদান কৰক।

(খ) উক্ত ইটা ভাটা উদ্যোগসমূহ স্থাপনৰ ফলত পৰিৱেশ, বান সমস্যা, শিশু শ্ৰমিক নিয়োগ, চৰকাৰে নিৰ্মাণ কৰা পথসমূহ আদি বিষয়ত কি প্ৰভাৱ পৰিছে, সেই বিষয়ে সবিশেষ তথ্য জনাব। লগতে, উদ্যোগসমূহৰ কৰ্তৃপক্ষই কি কি উন্নয়নমূলক কাম-কাজ সম্পাদন কৰিছে, তাৰ সবিশেষ তথ্য জনাব।

(গ) উক্ত উদ্যোগসমূহে নিয়ম অনুসৰি চৰকাৰী ৰাজহ তথা অন্যান্য প্ৰাপ্য ধনসমূহ নিয়মিতভাৱে পৰিশোধ কৰিছে নে?

(ঘ) উক্ত ইটা ভাটা উদ্যোগসমূহে বান নিয়ন্ত্ৰণত কিবা ভূমিকা পালন কৰিছে নে বান সমস্যাৰ সৃষ্টি কৰিছে? সেই সম্পৰ্কে বিভাগীয় অনুসন্ধান গ্ৰহণ কৰা হৈছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **ধুবুৰীস্থিত জুঁইশলা কাৰখানাৰ ভূমিত নতুন উদ্যোগৰ স্থিতি।**

শ্ৰীমতী বেবী বেগম ঃ

৪৪৯। মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰীস্থিত ঐতিহাসিক জুঁইশলা কাৰখানাৰ ভূমিত নতুন উদ্যোগ স্থাপনৰ বাবে ইতিমধ্যে কোনোধৰণৰ চুক্তি স্বাক্ষৰিত হৈছেনে? যদি হৈছে, কাৰ কাৰ সৈতে কি কি চৰ্তৰ আধাৰত, কেতিয়া এই চুক্তি সম্পাদিত হৈছে? (চুক্তিসমূহৰ প্ৰতিলিপিসহ তথ্য সংলগ্ন কৰিব।)

(খ) উক্ত চুক্তিৰ আধাৰত পূৰ্বৰ ঐতিহ্যমণ্ডিত কোম্পানীৰ ভূমিত কি উদ্যোগ স্থাপন কৰা হ'ব? উক্ত উদ্যোগত কিমান যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিব? (বিস্তৃত তথ্য সংলগ্ন কৰিব।)

(গ) চুক্তি স্বাক্ষৰিত হোৱাৰ সুদীৰ্ঘকাল পিছতো নতুন উদ্যোগৰ কাম আৰম্ভ নোহোৱাৰ কাৰণ কি? প্ৰস্তাৱিত নতুন উদ্যোগখন কেতিয়া মুকলি কৰা হ'ব? (বিস্তৃত তথ্য সংলগ্ন কৰিব।)

(ঘ) ধুবুৰী জুঁইশলা কাৰখানাত কিমান শ্ৰমিক-কৰ্মচাৰী নিয়োজিত হৈ আছিল? সেই তুলনাত নতুন উদ্যোগত অধিক লোকক সংস্থাপিত কৰিবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্য সংলগ্ন কৰিব।)

(ঙ) উক্ত উদ্যোগিক প্ৰতিষ্ঠানত নতুন উদ্যোগ স্থাপনৰ ক্ষেত্ৰত চৰকাৰ দায়বদ্ধ নে? যদি হয়, এই দায়বদ্ধতা ৰক্ষা কৰিবলৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব।)

*বিষয় ঃ* **MSME সম্পৰ্কে**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪৫০। মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

লাহৰীঘাট সমষ্টিত স্থানীয়ভাৱে উৎপাদিত কৃষি সামগ্ৰী (যেনে— সৰিয়হ, মৰাপাট আৰু শাক-পাচলি) ভিত্তিক কোনো ক্ষুদ্ৰ বা মজলীয়া উদ্যোগ (MSME) স্থাপন কৰি থলুৱা যুৱক-যুৱতীসকলৰ বাবে কৰ্ম সংস্থাপনৰ সৃষ্টি কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি?

*বিষয় ঃ* **ৰেচন কাৰ্ড আৰু ঘেঁহু/আটা আৱণ্টন সন্দৰ্ভত।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৪৫১। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NFSA Card পোৱাৰ বাবে পৰিয়ালসমূহৰ কি কি যোগ্যতাৰ প্ৰয়োজন?

(খ) NRCৰ পৰীক্ষণ প্ৰক্ৰিয়াৰ সময়ত বায়'মেট্ৰিক প্ৰদান কৰা পৰিয়ালসমূহৰ বন্ধ হৈ থকা NFSA Card, যিসমূহ পৰিয়ালৰ নাম পৰীক্ষণৰ পিছত NRC ত অন্তৰ্ভুক্ত হৈছিল, সেই পৰিয়ালসমূহলৈ NFSA Card পুনৰাই মুকলি কৰা হৈছেনে?

(গ) বৰপেটা জিলাৰ সমবায় ভিত্তিত কিমান পৰিমাণৰ ঘেঁহু/আটা যোগান ধৰা হৈছে? ২০২১-২২ বৰ্ষৰ পৰা বৰ্তমানলৈকে বছৰেকীয়া তথ্য দিব।

*বিষয় ঃ* **বিদ্যালয়সমূহৰ খালী পদসমূহ পূৰণ কৰাৰ বাবে পদক্ষেপ।**

শ্ৰীপবিত্ৰ ৰাভা ঃ

৪৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰাজ্যখনৰ চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়সমূহত খালী হৈ থকা শিক্ষক আৰু কৰ্মচাৰীৰ পদসমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে জিলাভিত্তিক বিৱৰণ দিব।

*বিষয় ঃ* **ৰেচন কাৰ্ড সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৫৩। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ ও উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সুলভ মূল্যৰ দোকানৰ জৰিয়তে ৰাইজে কি কি সুবিধা লাভ কৰে? জনাব।

(খ) বিগত ৫ বছৰত জিলাভিত্তিত কিমান পৰিমাণৰ আটা সুলভ মূল্যৰ দোকানৰ জৰিয়তে যোগান দিয়া হৈছে আৰু কিমান সংখ্যক হিতাধিকাৰীয়ে নিয়মীয়াকৈ আটা লাভ কৰিছে? সমবায়ভিত্তিক তথ্য দিব।

(গ) আটা বিতৰণত স্বচ্ছতা নিশ্চিত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) আটাৰ গুণগত মান পৰীক্ষাৰ বাবে কি ব্যৱস্থা আছে? সময়মতে আটা নোপোৱা হিতাধিকাৰীৰ অভিযোগ নিষ্পত্তিৰ ব্যৱস্থা কি?

(ঙ) মূল্যবৃদ্ধিৰ সময়ত দৰিদ্ৰ পৰিয়ালক সুলভ মূল্যত আটা যোগান বৃদ্ধিৰ কোনো পৰিকল্পনা আছেনে?

(চ) চৰকাৰে স্থানীয়ভাৱে উৎপাদিত গম সংগ্ৰহ কৰি আটা যোগানৰ ব্যৱস্থা কৰাৰ চিন্তা কৰিছে নেকি?

(ছ) বৰপেটা জিলাসহ বিভিন্ন জিলাত আটা যোগানৰ নামত বিভাগে পৰিবহণ খৰচ দিয়ে নেকি? যদি দিয়ে, যোৱা ৫ বছৰত আটা যোগানৰ পৰিবহণৰ বাবদ কোন কোন সমবায়ে কিমান টকা লাভ কৰিছে তাৰ তথ্য দিব?

*বিষয় ঃ* **জিলা উন্নয়ন প্ৰাধিকৰণৰ কাৰ্য্য পৰিধি আৰু ক্ষমতা।**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৪৫৪। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন জিলাত উন্নয়ন প্ৰাধিকৰণ আছে? এই প্ৰাধিকৰণসমূহৰ প্ৰয়োজনীয়তা কেনেধৰ? বিৱৰণ দি জনাব।

(খ) এই প্ৰাধিকৰণসমূহৰ কাৰ্য্য পদ্ধতি আৰু ক্ষমতা কেনেধৰণৰ? জনাব।

(গ) ডিব্ৰুগড় জিলা প্ৰাধিকৰণে প্ৰস্তুত কৰা মাষ্টাৰ প্লেনৰ ভিতৰত ডিব্ৰুগড় নগৰৰ পৰা ৪০/৫০ কিলোমিটাৰ আঁতৰত থকা ভিতৰুৱা গাঁওসমূহ কিয় অন্তৰ্ভুক্ত কৰা হ'ল? যাৰ বাবে দুখীয়া কৃষকসকলে ভূমিৰ আৱণ্টন পোৱাত হেঙাৰ হৈ পৰিছে। ভৱিষ্যতে কৃষকসকলক কেনেকৈ ভূমি আৱণ্টন দিব পৰা যাব? জনাব।

*বিষয় ঃ* **চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে বেপাৰ আৰু বাণিজ্যিক কাৰ্য্যালয়।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪৫৫। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ASEAN, BBIN আৰু BIMSTECৰ ভিতৰত কোনবোৰ দেশ অন্তৰ্ভুক্ত হৈ আছে? এই দেশসমূহৰ সৈতে অসমৰ যোগাযোগ, শিক্ষা, বাণিজ্য, সাংস্কৃতিক সম্বন্ধ ভাল কৰিবৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে, বিতংকৈ জনাব।

(খ) অসমৰ সীমাৰ সৈতে সংলগ্ন চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে বেপাৰ-বাণিজ্যৰ বাবে ক'ত ক'ত Land Port আছে জনাব। ২০১৬ৰ পৰা এতিয়ালৈকে এনে Land Portৰ জৰিয়তে হোৱা বেহা-বেপাৰৰ পৰিমাণ, মানুহ অহা-যোৱা কৰাৰ বৰ্ষভিত্তিক তথ্য দাখিল কৰিব।

(গ) অসমত বৰ্তমান কোন কোন দেশৰ ভিছা প্ৰদান কেন্দ্ৰ আছে? কেতিয়া এই কেন্দ্ৰ স্থাপন কৰা হৈছিল? ইয়াৰ উপৰিও অন্য দেশলৈ যোৱাৰ বাবে প্ৰয়োজনীয় ভিছা প্ৰদানৰ বাবে নতুনকৈ এনে কেন্দ্ৰ স্থাপনৰ কিবা পৰিকল্পনা আছে নেকি জনাব।

(ঘ) অসমত বৰ্তমান কোন কোন দেশৰ বাণিজ্যিক কাৰ্য্যালয় আছে? এনে কেন্দ্ৰৰ জৰিয়তে কি কি কাম কৰা হয়? নতুনকৈ আৰু কোনো অন্য দেশে এনে কেন্দ্ৰ স্থাপন কৰাৰ পৰিকল্পনা লৈছে নেকি জনাব।

*বিষয় ঃ* **প্ৰাদেশীকৃত মহাবিদ্যালয়**

শ্ৰীমতী দীপ্তিময়ী চৌধুৰী ঃ

৪৫৬। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত বৰ্তমান কিমান প্ৰাদেশীকৃত মহাবিদ্যালয় আছে? এই মহাবিদ্যালয়সমূহত কিমান শিক্ষকৰ পদ খালী হৈ আছে? এই পদসমূহ কেতিয়া পূৰণ কৰা হ'ব? মহাবিদ্যালয় ভিত্তিত খালী থকা পদসমূহৰ তথ্য সদনত দাখিল কৰিব।

(খ) ৰাজ্যত নাকৰ স্বীকৃতি নথকা কোনোবা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আছে নেকি? যদি আছে, বিস্তৃত তথ্য দাখিল কৰিব।

(গ) বৰ্তমান শিক্ষা বিভাগৰ অনুমতি লাভ কৰা কিমানখন ব্যক্তিগত খণ্ডৰ জুনিয়ৰ কলেজ আছে? জিলাভিত্তিত সকলো ধৰণৰ স্বীকৃতিপ্ৰাপ্ত জুনিয়ৰ কলেজসমূহৰ নাম, ঠিকনা সদনত দাখিল কৰিব।

(গ) বৰ্তমান ৰাজ্যত কোনোবা অবৈধ ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়/জুনিয়ৰ কলেজ/ বিশ্ববিদ্যালয় আছে নেকি? যদি আছে, সদনত তথ্য জনাব আৰু এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব।

*বিষয় ঃ* **টিউটৰসকলক স্থায়ী শিক্ষক পদলৈ উন্নীতকৰণ।**

মোঃ নুৰুল ইছলাম ঃ

৪৫৭। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত সম্প্ৰতি কিমানগৰাকী টিউটৰে শিক্ষা দানৰ সৈতে জড়িত হৈ আছে? শিক্ষানুষ্ঠানত যথোপযুক্ত পাঠদানৰ ক্ষেত্ৰত তেওঁলোক যোগ্যনে? (উত্তৰ জিলা ভিত্তিত বিস্তৃত তথ্যসহ দিব।)

(খ) উক্ত টিউটৰসকলে একেখন শিক্ষানুষ্ঠানত কৰ্মৰত শিক্ষকসকলৰ তুলনাত নিম্নমানৰ শিক্ষাদান কৰে নেকি? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

(গ) যদি নহয়, টিউটৰসকলক মাহিলী কি হাৰত মাননী আদায় দিয়া হয়? একেলগে শিক্ষকতা কৰা এগৰাকী টিউটৰক এগৰাকী নিয়মীয়া শিক্ষকৰ তুলনাত অতি সামান্য পৰিমাণৰ পাৰিতোষিক বা মাননী আদায় দিয়াটো অন্যায়মূলক, বৈষম্যমূলক আচৰণ নহয়নে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

(ঘ) মানবীয়তাৰ দৃষ্টিভংগীৰে ৰাজ্যৰ টিউটৰসকলৰ চাকৰি নিয়মীয়া কৰি শিক্ষকসকলৰ সমহাৰত দৰমহা প্ৰদানৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে? (উত্তৰ বিস্তৃত তথ্যসহ দিব।)

*বিষয় ঃ* **বিশ্ব ঐতিহ্য ক্ষেত্ৰ মাজুলী**

ডঃ জয় প্ৰকাশ দাস ঃ

৪৫৮। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ অক্টোবৰ মাহতে বিশ্ব ঐতিহ্য কেন্দ্ৰই মাজুলীক বিশ্ব ঐতিহ্য এলেকা হিচাপে প্ৰাৰম্ভিক স্বীকৃতি প্ৰদান কৰাৰ পিছত অতদিনে কিয় চূড়ান্ত ঘোষণা আদায় কৰিব পৰা নাই। তাৰ সবিশেষ কাৰণ জনাবনে?

(খ) এই চূড়ান্ত স্বীকৃতি আদায়ৰ বাবে অসম চৰকাৰে অতদিনে কি কি ফলপ্ৰসু ব্যৱস্থা হাতত লৈছে জনাবনে? এইক্ষেত্ৰত অসম চৰকাৰে যোৱা ১০ বছৰত আগবঢ়োৱা বিত্তীয় আৱণ্টন আৰু সংশ্লিষ্ট শিতানত হোৱা খৰচৰ তালিকাখন জনাবনে?

(গ) ২০২৫ চনৰ মাৰ্চ মাহত গ্ৰহণ কৰা অসম চৰকাৰৰ কেবিনেট সিদ্ধান্তমৰ্মে মাজুলীক বিশ্ব ঐতিহ্য ঘোষণাৰ সম্পৰ্কত বিগত সময়ছোৱাত কি কি ব্যৱস্থা ল'ব জনাবনে?

(ঘ) চলিত বছৰত গ্ৰহণ কৰিব বিচৰা ব্যৱস্থাসমূহ, নিৰ্দ্ধাৰিত লক্ষ্য আৰু বিত্তীয় আৱণ্টনসমূহ জনাবনে?

*বিষয় ঃ* **বরখলায় MMLP শিল্প প্রকল্প স্থাপন প্রসঙ্গে।**

শ্রীকিশোর নাথ ঃ

৪৫৯। মাননীয় উদ্যোগ, বাণিজ্য ও রাজহুৱা প্ৰতিষ্ঠান বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বরখলা বিধান সভা সমষ্টিতে নতুন কোনো শিল্প প্রতিষ্ঠান (Indusrty) স্থাপনের জন্য সরকারের কোনো পরিকল্পনা বর্তমানে রয়েছে কি? থাকলে তার বিস্তারিত বিবরণ কী?

(খ) ২০১৯ সালে বরখলা সমষ্টিতে একতি Multi Modal Logistics Park (MMLP) স্থাপনের প্রস্তাব ছিল। উক্ত প্রকল্পটি বাস্তবায়িত না হওয়ার কারন কী? ভবিষ্যতে বরখলা সমষ্টিতে MMLP স্থাপনের কোনো পরিকল্পনা রয়েছে কী?

(গ) বরখলা সমষ্টি ও সমগ্র বরাক উপত্যকার বহু যুবক-যুবতী কর্মসংস্থানের অভাবে দেশের বিভিন্ন রাজ্যে কাজের সন্ধানে যেতে বাধ্য হন। স্থানীয়ভাবে কর্মসংস্থানের জন্য আয়ের ব্যবস্থা করতে সরকার কী কী পদক্ষেপ গ্রহণ করেছে?

(ঘ) আসামের বিভিন্ন অঞ্চল, বিশেষত বরখলা ও বরাক উপত্যকা থেকে বহিরাজ্যে কর্মংস্থানের উদ্দেশ্যে গমনকারী শ্রমিক ও কর্মজীবি রা নানা ধরনের সমস্যার সম্মুখীন হন এবং অনেক ক্ষেত্রে দুর্ঘটনায় তাঁদের মৃত্যু পর্যন্ত ঘটে। তাদের সব ধরনের সুরক্ষা প্রদানের জন্য সরকার কী কোনো ব্যবস্থা গ্রহণ করেছে?

(ঙ) বহিরাজ্যে কর্মরত আসামের শ্রমিকদের তথ্য ভাণ্ডার (Database) প্রস্তুতকরণ, নিবন্ধন এবং জরুরী পরিস্থিতিতে সহায়তা প্রদানের জন্য কোনো বিশেষ প্রকল্প বা নীতি সরকারের রয়েছে কী? থাকলে তার বিস্তারিত বিবরণ কী?

*বিষয় ঃ* **শিক্ষার মান উন্নয়ন**

শ্রীঅমিয় কান্তি দাস ঃ

৪৬০। মাননীয় শিক্ষা বিভাগরে মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ধলাই বিধানসভা সমষ্টিতে একটি কলেজের ভবন নির্মাণকাজ প্রায় সম্পন্ন হয়েছে। নির্মাণাধীন কলেজটিতে কবে থেকে পাঠদান কার্যক্রম শুরু হবে?

(খ) সমগ্র ধলাই অঞ্চলে বিজ্ঞান শিক্ষার সুযোগ অত্যন্ত সীমিত। তাই পূর্ব ধলাইয়ে একটি পূর্ণাঙ্গ বিজ্ঞান (Science) কলেজ স্থাপনের বিষয়টি সরকারের কোনো পরিকল্পনা আছে কি?

(গ) নিকামা উচ্চতর মাধ্যমিক বিদ্যালয়ে শিক্ষার্থীর সংখ্যা উল্লেখযোগ্যভাবে বৃদ্ধি পাওয়ায় বিদ্যালয়টির ওপর অতিরিক্ত চাপ সৃষ্টি হয়েছে। তাই পাশ্ববর্তী ভুবনখাল এম. ই. স্কুলকে উচ্চ বিদ্যালয়ে উন্নীত করার সরকারের কোনো পরিকল্পনা আছে কি?

(ঘ) ধলাই বি. এন. এম. পি. উচ্চতর মাধ্যমিক বিদ্যালয়টিতে একটি বৃহৎ সভাগৃহ (Auditorium) এবং মধ্যাহ্নভোজ (Mid-Day Meal) কর্মসূচি সুষ্ঠুভাবে পরিচালনার জন্য একটি অতিরিক্ত কক্ষ নির্মাণের সরকারের কোনো পরিকল্পনা আছে কি?

(ঙ) বিদ্যালয়গুলিতে বিদ্যমান শিক্ষক-শূন্য পদ দ্রুত পূরণের পাশাপাশি Single Teacher School গুলিতে অন্তত আরও একজন করে শিক্ষক নিয়োগের জন্য সরকারের কোনো পরিকল্পনা আছে কি?

(চ) ধলাই বিধানসভা সমষ্টির অধিকাংশ উচ্চ বিদ্যালয়ের ভবন দীর্ঘদিনের পুরোনো ও অনেক ক্ষেত্রে জরাজীর্ণ অবস্থায় রয়েছে। তাই এলাকার সমস্ত উচ্চ বিদ্যালয়ের প্রয়োজন অনুযায়ী নতুন ভবন নির্মাণ, পুরোনো ভবনের সংস্কার এবং পর্যাপ্ত আসবাবপত্র সরবরাহের জন্য সরকারের কোনো পরিকল্পনা আছে কি?

*বিষয় ঃ* **শদিয়া মহাবিদ্যালয় বাণিজ্য শাখা প্ৰৱৰ্তন**

শ্ৰীবলিন চেতিয়া ঃ

৪৬১। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিৰ অন্তৰ্গত শদিয়া মহাবিদ্যালয়ত বাণিজ্য শাখা বৰ্তমানেও প্ৰৱৰ্তন কৰা হোৱা নাই। এই বিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, বাণিজ্য শাখা প্ৰৱৰ্তনৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিব? (সদনত জনাব)।

(খ) শদিয়া সমষ্টিৰ অন্তৰ্গত পদ্মনাথ গোঁহাই বৰুৱা মহাবিদ্যালয়ত যোৱা ২০২৪ চনতে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। ইতিমধ্যে তৃতীয় বৰ্গৰ নিযুক্তি প্ৰদান কৰা হ'ল। কিন্তু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ নিযুক্তি এতিয়ালৈকে হোৱা নাই। এইক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৪৬২। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

জলেশ্বৰ সমষ্টিটোত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগটোৰ জৰিয়তে কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? তথ্য সহকাৰে জনাব আৰু যদি কোনো ধৰণৰ আঁচনি গ্ৰহণ কৰা নাই, কিয় কৰা নাই? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **উচ্চ শিক্ষা, মডেল কলেজ ও শিক্ষক বদলি সম্পর্কিত।**

শ্রীজাকারিয়া আহমেদ ঃ

৪৬৩। মাননীয় উচ্চ শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শ্রীভূমি জেলায় পর্যাপ্ত উচ্চ শিক্ষা প্রতিষ্ঠান না-থাকায় বহু শিক্ষার্থীকে উচ্চ শিক্ষার উদ্দেশ্যে জেলার বাইরে গমন করতে হয়। এই প্রেক্ষিতে শ্রীভূমি জেলায় একটি State University স্থাপনের বিষয়ে সরকারের কোনো পরিকল্পনা আছে কি? বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

(খ) উত্তর করিমগঞ্জ সমষ্টিতে একটি মডেল কলেজ স্থাপনে বিষয়ে সরকারের কোনো

পরিকল্পনা আছে কি? যদি থাকে, তবে সংশ্লিষ্ট প্রকল্পের বর্তমান অগ্রগতি, DPR প্রস্তুতির অবস্থা, অনুমোদন ও বাস্তবায়নের সম্ভাব্য সময়সীমাসহ বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

(গ) রাজ্যের বিভিন্ন বিদ্যালয়ে কর্মরত কিছু মহিলা শিক্ষিকাকে নিজ গৃহ থেকে 10 Kilometer বা তার অধিক দুরতে কর্মস্থলে যাতায়ত করতে হয়, ফলে বিভিন্ন ধরনের সমস্যার সৃষ্টি হয়। এই প্রেক্ষিতে মহিলা শিক্ষিকাদের নিজ গৃহের নিকটবর্তী বিদ্যালয়ে বদলি বা পদায়নের বিষয়ে সরকারে কোনো পরিকল্পনা আছে কি? বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **আঁচনিৰ সন্দৰ্ভত**

শ্ৰীৰমাকান্ত দেউৰী ঃ

৪৬৪। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা বৰ্তমানলৈ জনজাতি পৰিক্ৰমা বিভাগৰ অন্তৰ্গত বিভাগসমূহত কি কি আঁচনি ধাৰ্য্য কৰা হৈছে আৰু কোন জিলাত কিমান আঁচনি উন্নীত কৰাৰ ব্যৱস্থা কৰা হৈছিল? সমষ্টি অনুযায়ী তথ্য সদনত দাখিল কৰিব।

(খ) মৰিগাঁও বিধানসভা সমষ্টিত ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমানখন আৰু কি কি আঁচনি অনুমোদিত হৈছিল? আঁচনিৰ পৰিৱৰ্তে আৱন্টিত ধনৰ পৰিমাণ সহ তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **খোৱা পানী যোগান**

শ্ৰীভূপেন ৰায় ঃ

৪৬৫। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ নগৰ অঞ্চলৰ ৰাইজৰ বাবে খোৱা পানীৰ নতুন আঁচনি যুগুত কৰিছে নেকি?

(খ) যদি কৰিছে? এইক্ষেত্ৰত নাগৰিকে কি কি সুবিধা পায়? অনুগ্ৰহ কৰি জনাব।

(গ) এই ক্ষেত্ৰত বঙাইগাঁও জিলাৰ অভয়াপুৰী নগৰত কি আঁচনি ধাৰ্য্য কৰিছে বা চলি আছে? অনুগ্ৰহ কৰি জনাব।

*বিষয় ঃ* **অনুসূচীত জাতি সম্প্ৰদায়ৰ উন্নয়ন**

ড° তপন দাস ঃ

৪৬৬। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত অনুসূচীত জাতি (SC) সম্প্ৰদায়ৰ সামাজিক, শৈক্ষিক আৰু আৰ্থিক উন্নয়নৰ বাবে বৰ্তমান কোন কোন আঁচনি ৰূপায়ণ কৰি আছে?

(খ) অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ (APSC/UPSC etc) প্ৰস্তুতিৰ বাবে শিক্ষা প্ৰদানৰ চৰকাৰৰ কিবা বিশেষ আঁচনি আছে নেকি? যদি নাই, এই বিষয়ত চৰকাৰে বিবেচনা কৰিব নেকি?

(গ) ২০২১-২২ বৰ্ষৰ পৰা বৰ্তমানলৈকে বছৰৰ ভিত্তিত অনুসূচীত জাতি উন্নয়নৰ বাবে কিমান ধন আৱণ্টন কৰা হৈছে আৰু ইয়াৰ ভিতৰত কিমান ধন ব্যয় কৰা হৈছে?

(ঘ) ৰাজ্যখনত জিলাভিত্তিক অনুসূচীত জাতি উন্নয়নৰ অধীনত কিমানগৰাকী হিতাধিকাৰীয়ে বৃত্তি, স্ব-নিয়োজন, গৃহ নিৰ্মাণ, দক্ষতা বিকাশ, শিক্ষামূলক সহায়, হোষ্টেল আদিৰ সুবিধা লাভ কৰিছে?

(ঙ) অনুসূচীত জাতি সম্প্ৰদায়ৰ উন্নয়নৰ বাবে চলি থকা আঁচনিসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ উদ্দেশ্যে চৰকাৰে নতুনকৈ কোনো নীতি বা কাৰ্য্যসূচী গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **ৰন্ধন কৰ্মীৰ মাহিলী ভাট্টা আৰু আদৰ্শ বিদ্যালয়ৰ আন্তঃগাঁথনি সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

৪৬৭। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম সৰ্বশিক্ষা মিচনৰ অধীনত অসমৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত ৰন্ধন কৰ্মীসকলে মাহিলি কিমান টকা মাননী পায়? অসমত বিভিন্ন জিলাৰ সমষ্টিভিত্তিত সৰ্বমুঠ কিমানজন ৰান্ধনী কৰ্মৰত হৈ আছে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) বিদ্যালয়ত কৰ্মৰত সমূহ ৰন্ধন কৰ্মীৰ মাহিলি মাননী কমপক্ষেও দহ হাজাৰ (10,000.00) কৰিবৰ কাৰণে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিব নে? যদি কৰে, কেতিয়ালৈকে কৰিব?

ৰন্ধন কৰ্মীসকলৰ কিবা বীমাৰ ব্যৱস্থা কৰিছে নে? ৰন্ধন কৰ্মীসকলৰ বকেয়া ভাট্টা আদায় দিয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে? সবিশেষ তালিকা সদনৰ মজিয়াত দাখিল কৰিব।

(গ) অসমৰ বিভিন্ন জিলা আৰু সমষ্টিত কিমানখন আদৰ্শ বিদ্যালয় আছে? এই বিদ্যালয়সমূহত পৰ্য্যাপ্ত আন্তঃগাঁথনি, নিয়মীয়া বিদ্যুত সংযোগ, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? যদি নাই, চৰকাৰে এই সুবিধাবোৰ কেতিয়ালৈকে প্ৰদান কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

*বিষয় ঃ* **ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পলিচি অনুসৰি চলিত বৰ্ষৰ পৰা আৰম্ভ হ'বলগীয়া স্নাতক চতুৰ্থ বৰ্ষৰ শ্ৰেণীসমূহৰ সম্পৰ্কত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

৪৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পলিচি অনুসৰি চলিত বৰ্ষৰ পৰা স্নাতক চতুৰ্থ বৰ্ষৰ শ্ৰেণীসমূহ যিহেতু লক্ষাধিক ছাত্ৰ-ছাত্ৰীক লৈ আৰম্ভ হ'ব, ইয়াৰ বাবে চৰকাৰে নতুনকৈ কিমানজন শিক্ষকক নিযুক্তি দিছে?

(খ) প্ৰয়োজন হোৱা অতিৰিক্ত শ্ৰেণীকোঠা, বিজ্ঞানাগাৰ আৰু আচবাব আদিৰ বাবে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অধীনত মহাবিদ্যালয়সমূহৰ বাবে নতুনকৈ কিমান টকাৰ পুঁজি যোগান ধৰা হৈছে?

(গ) যদিহে, নতুনকৈ কোনো পুঁজিৰ যোগান ধৰা হোৱা নাই, তেতিয়া হ'লে আন্তঃগাঁথনি আৰু শিক্ষক অবিহনে চতুৰ্থ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে পাঠদান কৰা হ'ব? জনাব।

*বিষয় ঃ* **শিক্ষা বিষয়ৰ খালী পদ আৰু প্ৰাদেশিকীকৰণ।**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

৪৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত শিক্ষা বিভাগৰ অধীনত কিমানটা প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, আদৰ্শ বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় আছে বিশদভাৱে সদনত উল্লেখ কৰিব।

(খ) ধুবুৰী জিলাৰ অন্তৰ্গত গৌৰীপুৰ সমষ্টিত অৱস্থিত প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, কেন্দ্ৰীয় বিদ্যালয়সমূহৰ নাম, অৱস্থান আৰু Head of the institutionৰ নাম with Mobile Number সদনত উল্লেখ কৰিব।

(গ) বৰ্তমান ধুবুৰী জিলাত কোন কোন ME School, High School আৰু Higher Secondary School প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ আছে? এই বঞ্চিত হৈ থকা শিক্ষানুষ্ঠানসমূহ চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব? বিশদভাৱে সদনত জনাব।

(ঘ) উক্ত সমষ্টিত কোন কোন শিক্ষানুষ্ঠানত কি কি পদ খালী হৈ আছে, ইয়াৰ তালিকা দিব। এই খালী পদসমূহ কেতিয়া পূৰণ কৰা হ'ব? বিতংকৈ জনাব।

(ঙ) গৌৰীপুৰ সমষ্টিত কোন কোন শিক্ষানুষ্ঠানত কোনে কোনে Tutor হিচাপে কৰ্মৰত হৈ আছে, তাৰ তালিকা দিব। এই Tutor সমূহৰ চাকৰি কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব? সেই বিষয়ে সদনত জনাব।

*Sub.* : **Infrastructural Development, Upgradation, New College Under My Udharbond Constituency.**

Shri RAJDEEP GOALA :

470. Will the Minister of Education Department be pleased to state:

(a) Whether the Government has any proposal to upgrade certain M.E. Schools to High Schools and High Schools to Higher Secondary Schools in Udharbond Legislative Asembly Constituency, considering the inadequate number of schools in the constituency ?

(b) Whether the Government has any proposal under consideration to establish a Model Degree College in Udharbond Legislative Assembly Constituency to enhance access to quality higher education for the students of the area ?

(c) Whether the Government has any proposal to introduce Science and Commerce streams in Jagannath Singh College and to expand Science and Commerce education facilities for the students of Udharbond Legislative Assembly Constituency ?

*বিষয় ঃ* **লাহোৱাল মহাবিদ্যালয়ৰ সন্দৰ্ভত**

শ্ৰীবিনোদ হাজৰিকা ঃ

৪৭১। মাননীয় উচ্চ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত লাহোৱাল মহাবিদ্যালয়খন নিৰ্মাণৰ বাবে কিমান টকা আৱণ্টন কৰা হৈছে?

(খ) বৰ্তমান সময়ত কি কি কাম কৰা হৈছে তাৰ অগ্ৰগতিৰ খতিয়ান বিতংভাৱে দাঙি ধৰিব।

(গ) নিৰ্মাণকাৰী সংস্থাই কিমান দিনৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰিছে আৰু কেতিয়াৰ পৰা পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰিব সবিস্তাৰে জনাব।

*বিষয় ঃ* **শিক্ষকৰ পুনৰ নিযুক্তি সম্পৰ্কে**

ড° পৰমানন্দ ৰাজবংশী ঃ

৪৭২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ ব্লেকবোৰ্ড আঁচনি আৰু ১৯৯৯ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহত দৰং জিলাত প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত কিমানজন শিক্ষক নিযুক্তি দিয়া হৈছিল?

(খ) এইসকল শিক্ষকৰ পুনৰ নিযুক্তিৰ মাজতে কি কাৰণত তেওঁলোকক চাকৰিৰ পৰা আঁতৰাই দিয়া হৈছিল?

(গ) এই সন্দৰ্ভত ২০০৫ চনত মহামান্য আদালতে কোনো ৰায়দান কৰিছিল নেকি? যিসকল শিক্ষকক বৈধ হিচাপে পৰিগণিত কৰা হৈছিল, তেওঁলোকৰ পুনৰ নিযুক্তি অথবা ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হৈছে নেকি?

(ঘ) জনামতে, নলবাৰী জিলাৰ এই শিক্ষকসকলৰ একাংশক ক্ষতিপূৰণ দিয়া হৈছে। দৰং জিলাৰ শিক্ষকসকলকো একেদৰে ক্ষতিপূৰণ দিয়াৰ বাবে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব নেকি?

*বিষয় ঃ* **ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিফৰ্ম**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪৭৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিক্ষা বৰ্ষ তিনিটা মাহ অতিক্ৰম কৰাৰ পাছতো মৰিগাঁও জিলাত কিয় নৱম আৰু দশম মানৰ ছাত্ৰ-ছাত্ৰী সকলক ইউনিফৰ্মৰ কাপোৰ যোগান ধৰা হোৱা নাই? এই ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিফৰ্ম যোগানৰ দায়িত্ব কাক দিয়া হৈছে আৰু কেতিয়ালৈ যোগান ধৰা হ'ব?

(খ) লাহৰীঘাট সমষ্টিৰ নতুন চৰকাৰী কলেজ স্থাপন কৰা অথবা বৰ্তমান থকা কলেজত চৰকাৰী অনুদানেৰে বিজ্ঞান আৰু বাণিজ্য শাখা সম্পূৰ্ণৰূপে মুকলি কৰাৰ বাবে পৰিকল্পনা কৰিছে নেকি?

*বিষয় ঃ* **অসমৰ চৰকাৰী বিদ্যালয়ৰ প্ৰকৃত অৱস্থা**

শ্ৰীঅখিল গগৈ ঃ

৪৭৪। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ তুলনাত ২০২৬ চনলৈ ৰাজ্যত জিলাভিত্তিক চৰকাৰী বিদ্যালয় কিমান হ্ৰাস পালে? উক্ত সময়ছোৱাত চৰকাৰী আৰু ব্যক্তিগত উভয় খণ্ডৰ বিদ্যালয়ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ পৰিৱৰ্তন কেনেকুৱা?

(খ) বৰ্তমান কিমানখন প্ৰাথমিক বিদ্যালয় এজনীয়া, দুজনীয়া বা তিনিজনীয়া শিক্ষকৰে চলি আছে? শ্ৰেণী অনুসৰি শিক্ষক, শ্ৰেণীকোঠা থকা আৰু নথকা প্ৰাথমিক তথা মাধ্যমিক বিদ্যালয়ৰ সংখ্যা কিমান?

(গ) ৰাজ্যৰ কিমানখন বিদ্যালয়ত বিষয়ভিত্তিক (ইংৰাজী, বিজ্ঞান, হিন্দী, সংস্কৃত, ক্ৰীড়া) শিক্ষক নাই? কিমান উচ্চতৰ মাধ্যমিকত বিষয় শিক্ষকৰ পদ খালী আছে? বিজ্ঞানাগাৰ আৰু কম্পিউটাৰ কেন্দ্ৰ থকা আৰু নথকা বিদ্যালয়ৰ সংখ্যা কিমান?

(ঘ) জিলাভিত্তিক কিমানখন বিদ্যালয়ৰ ভৱন জৰাজীৰ্ণ (বৰষুণত পানী পৰা, মজিয়া ভগা বা বানাক্ৰান্ত) অৱস্থাত আছে? এইবোৰৰ মেৰামতিৰ ব্যৱস্থা কি? শ্ৰেণী অনুসৰি চিলিং ফেন, বিজুলী আৰু ইন্টাৰনেট সংযোগ নথকা বিদ্যালয় কিমানখন?

*বিষয় ঃ* **পঞ্জীয়নভুক্ত সমবায় সমিতি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৭৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান পঞ্জীনভুক্ত সমবায় সমিতিৰ মুঠ সংখ্যা কিমান? জিলাভিত্তিক তথ্য দিব। ইয়াৰে কিমান সমবায় সমিতি সক্ৰিয় আৰু কিমান নিষ্ক্ৰিয়?

(খ) বিগত পাঁচবছৰত কিমান নতুন সমবায় সমিতি পঞ্জীয়ন কৰা হৈছে? যদি হৈছে জিলাভিত্তিক তালিকা দিব।

(গ) কিমান সমবায় সমিতিয়ে আভ্যন্তৰীণ হিচাপ পৰীক্ষা (Audit) সম্পন্ন কৰা নাই? তাৰ তালিকা দিব।

(ঘ) অসমৰ কোন কোন সমবায়ে চৰকাৰী ভঁৰাল ঘৰ নিৰ্মাণ কৰাৰ বাবে চৰকাৰী পুঁজি লাভ কৰিছে? বাকী থকা সমবায়সমূহে এই পুঁজি কেতিয়া লাভ কৰিব?

(ঙ) পাকাবেতবাৰী সমষ্টিৰ কোন কোন সমবায়ৰ অন্তৰ্ভুক্ত হৈছে? গাঁও হিচাপে তালিকা দিব।

(চ) উক্ত সমষ্টিৰ কোন কোন গাঁও সমষ্টিৰ বাহিৰৰ সমবায়ত অন্তৰ্ভূক্ত হৈ আছে তাৰ তালিকা দিব।

(ছ) উক্ত সমষ্টিত থকা সমবায়সমূহত সমষ্টিৰ বাহিৰৰ কোন কোন গাঁও অন্তৰ্ভূক্ত হৈ আছে তাৰ তালিকা দিব।

(জ) সমষ্টি হিচাপে সমবায় স্থাপন কৰাৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে বিতংভাৱে জনাব।

*বিষয় ঃ* মৃত উদ্যোগ পুনৰ্জীৱিতকৰণ

মঃ বদৰুদ্দিন আজমল ঃ

৪৭৬। মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কোন কোন গুৰু উদ্যোগ, লঘু উদ্যোগ মৃত্যু মুখত পৰিছে আৰু কোন কোন উদ্যোগ মৃত প্ৰায় হৈ পৰিছে?

(খ) মৃত আৰু মৃতপ্ৰায় উদ্যোগ সমূহ পুনৰ্জীৱিতকৰণৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(গ) নতুনকৈ অসমত কি কি উদ্যোগ স্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে? কোন কোন উদ্যোগত ৰাজ্য চৰকাৰৰ অংশীদায়িত্ব কিমান থাকিব? ব্যক্তিগত খণ্ডত অসমত কি কি নতুন উদ্যোগ স্থাপন হ'বলৈ গৈ আছে আৰু সেই বিলাক স্থাপন কৰিলে অসমৰ জনসাধাৰণ কেনেকৈ উপকৃত হ'ব? (বিতং তথ্য দিব)।

(ঘ) নিবনুৱা সমস্যা সমাধান কৰাৰ বাবে যোৱা ৫ বছৰত অসমত কিমান ঘৰুৱা উদ্যোগ স্থাপন কৰা হৈছে? (বৰ্ষ ভিত্তিক কিমান উদ্যোগীক কিমান টকাৰ ছাবচিডি দিয়া হৈছিল তথ্য সহ জনাব)।

*বিষয় ঃ* চাহজনগোষ্ঠী আৰু আদিবাসীসকলৰ নৃত্য, গীত-মাত সন্দৰ্ভত।

শ্ৰীচক্ৰধৰ গগৈ ঃ

৪৭৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ জনগোষ্ঠী বা আদিবাসী সকলৰ আন্তঃগাঁথনি উন্নয়নৰ হকে অসম চৰকাৰ খনে বহু খিনি কাম কৰিছে। এই লোক সকলৰ সাংস্কৃতিক পৰম্পৰা, লোকনৃত্য, গীত-মাত আৰু বাদ্যযন্ত্ৰসমূহ সংৰক্ষণ, প্ৰশিক্ষণ বৰ্তাই ৰাখিবলৈ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেনে ধৰণৰ? জনাব।

(খ) চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলে ব্যৱহাৰ কৰা সাংস্কৃতিক বাদ্যযন্ত্ৰ সমূহৰ (জাতি অনুসৰি) নাম তালিকা প্ৰদান কৰিব।

(গ) ঝুমুৰৰ লগতে তেখেত সকলৰ অন্যতম এটা প্ৰিয় নৃত্য হ'ল উড়িয়া নৃত্য। ঝুমুৰ বিনন্দীনিৰ সময়ত কিছু ঝুমুৰৰ প্ৰশিক্ষণ চৰকাৰীভাৱে কৰা হৈছিল যদিও সেয়া সীমিত হৈ থাকিল। অনাগত দিনত চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱক-যুৱতী সকলৰ মাজত ভৱিষ্যতে চৰকাৰী ভাৱে ঝুমুৰ আৰু উড়িয়া নৃত্যৰ লগতে হেৰাই যাব ধৰা এই নৃত্যসমূহৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব নেকি? জনাব।

*Sub.* : **Model School and KGBV under Kalgachia Development Block etc.**

Shri SHERMAN ALI AHMED :

478. Will the Minister of School Education Department be pleased to state:

(a) Is it true that there is no Model School and KGBV under Kalgachia Development Block ?

(b) If true, will the Government be pleased to establish one Model School and one KGBV under the said block ?

(c) How many NSCAVs are established in Assam ? Please furnish list.

(d) In view of high drop-outs, low literacy rate, difficult terrain (mainly riverine islands) and Mandia Block being an Aspirational Block, will the Government be pleased to sanction one NSCAB in Mandia Block ?

(e) What amount of fund is allotted to Balikuri HSS and what are the physical and financial achievements during the last 10 years ? Please furnish details.

(f) Is it true that Principal of the said school has misappropriated a major chunk of the fund ?

(g) Is it also true that MDM is very irregular in the said school ?

(h) Will the Government be pleased to cause a high-level inquiry and furnish a report ?

*বিষয় ঃ* **Cooperative Society শক্তিশালীকৰণ**

শ্ৰীৰূপম চন্দ্ৰ ৰয় ঃ

৪৭৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বাওখুংগ্ৰী সমন্বিত কৃষি, মীন পালন, ক্ষুদ্ৰ উদ্যোগ আৰু Self Group -ভিত্তিক Cooperative Society - সমূহ অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ আৰু উপলব্ধ সমৰ্থন ব্যৱস্থাসমূহৰ তথ্য সদনত দাখিল কৰিব।

*বিষয় ঃ* **এক্ট ইষ্ট পলিচি এফিয়াৰচ অধীনত গৃহিত আঁচনি সন্দৰ্ভত।**

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ

৪৮০। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্টইষ্ট পলিচি এফিয়াৰচ বিভাগৰ অধীনত বিগত ৫ (পাঁচ) বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে কিমান ধন লাভ কৰিছে আৰু এই ধনৰ সাপেক্ষে কি কি আঁচনি ৰূপায়ণৰ বাবে গ্ৰহণ কৰা হৈছে?

(খ) এই আঁচনিৰ অধীনত ভাৰত-বাংলাদেশৰ মাজত ব্যৱসায় বাণিজ্য বৃদ্ধিৰ বাবে কি কি আন্তঃগাঁথনি উন্নয়নৰ কাম হাতত লোৱা হৈছে?

(গ) গোৱালপাৰাৰ পৰা মানকাচৰ বাংলাদেশ সীমান্তলৈ উন্নতমানৰ ৰাস্তা নিৰ্মাণৰ আঁচনি এই বিভাগৰ অধীনত চৰকাৰে গ্ৰহণ কৰিব নে?

(ঘ) এক্ট ইষ্ট পলিচি গ্ৰহণ কৰাৰ ফলত দক্ষিণ পূব এছিয়াৰ লগত ব্যৱসায় বাণিজ্যত কিমান সফলতা অৰ্জন কৰা হৈছে সেই বিষয়ে জনাব।

*Sub.* : **Autonomous University to Teok CKB College.**

Shri RUPJYOTI KURMI :

481. Will the Minister of Higher Education Department be pleased to state:

(a) Is the Govt. aware that Teok CKB College situated in Jorhat Dist. under Mariani LAC, has received NAAC A+ Grade recently of that the College is surrounded by a huge population of Tea garden, SC & ST population ?

(b) If yes, will the Govt. consider the Proposal of an Autonomous University for Teok CKB College ?

(c) If yes, by when ?

*বিষয় ঃ* **ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ।**

শ্ৰীতাঞ্জিল হুছেইন ঃ

৪৮২। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান নগাঁও জিলাত উচ্চ, মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী অনুযায়ী কিমানগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আছে?

(খ) ৫৮ নং চামগুৰি বিধানসভা সমষ্টিত কিমানখন উচ্চ, মধ্য ইংৰাজী আৰু নিম্ন প্ৰাথমিক বিদ্যালয় আছে? সকলো বিদ্যালয়তে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক-শিক্ষয়িত্ৰী আছেনে?

(গ) ২০২১ বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ উক্ত সমষ্টিৰ অন্তৰ্গত বিদ্যালয়সমূহত বিদ্যালয়ৰ আন্তঃগাঁথনিৰ বাবে কিমান টকাৰ অনুদান দিয়া হৈছিল? বিদ্যালয়ৰ নামৰ লগত অনুমোদিত ধনৰ পৰিমাণ, কামৰ বিৱৰণ সহ বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **শিক্ষক সম্পৰ্কে**

ডঃ জয় প্ৰকাশ দাস ঃ

৪৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ জিলাৰ হাইস্কুলত কিমান জন ভাৰপ্ৰাপ্ত আৰু কিমান জন নিয়মীয়া প্ৰধান শিক্ষক/অধ্যক্ষ আছে? জনাব।

(খ) যদি ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক/অধ্যক্ষ আছে, তেন্তে তেখেতলোকক কেতিয়া নিয়মীয়া কৰিব জনাব। যদি নাই, এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) মধ্যাহ্ন ভোজন কৰ্মী সহায়িকা সকলৰ মাহিলী মাননী কিমান? এই মাননী বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে জনাব।

*বিষয়ঃ* **রেশন কার্ড সম্পর্কে**

শ্রীকিশোর নাথ ঃ

৪৮৪। মাননীয় খাদ্য, রাজহুয়া বিতরণ ও উপভোক্তা পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাছাড় জেলার বরখলা বিধানসভা সমষ্টিতে জাতীয় খাদ্য সুরক্ষা আইন (NFSA)এর আওতায় বর্তমানে কতজন হিতাধিকারী অন্তর্ভুক্ত রয়েছেন? গ্রাম পঞ্চায়েত ওয়ার্ডভিত্তিক তালিকা ও বিস্তারিত তথ্য সদনে উপস্থাপন করবেন।

(খ) বরখলা সমষ্টির বহু যোগ্য ও দরিদ্র পরিবার এখনও খাদ্য সুরক্ষা যোজনার আওতায় অন্তর্ভুক্ত হতে পারেননি। তাদের অন্তর্ভুক্ত না হওয়ার কারণ কী? উক্ত পরিবারগুলিকে খাদ্য সুরক্ষা যোজনার আওতায় আনার জন্য সরকার কি পদক্ষেপ গ্রহণ করেছে বা গ্রহণের পরিকল্পনা রয়েছে?

(গ) বরখলা সমষ্টিতে গত তিন বছরে খাদ্য সুরক্ষা যোজনার আওতায় কতটি নতুন রেশন কার্ড অনুমোদিত হয়েছে এবং কতটি আবেদন এখনও নিষ্পত্তির অপেক্ষায় রয়েছে? এর বিস্তারিত বিবরণ কী?

(ঘ) খাদ্য সুরক্ষা রেশন কার্ডে পরিবারের সকল সদস্যের নাম অন্তর্ভুক্ত করা হয়নি, যার ফলে প্রকৃত সুবিধাভোগীরা তাদের প্রাপ্য সুবিধা থেকে বঞ্চিত হচ্ছেন। পরিবারের সকল যোগ্য সদস্যকে অন্তর্ভুক্ত করার জন্য সরকার কী পদক্ষেপ গ্রহণ করেছে এবং এই প্রক্রিয়া সম্পন্ন করার সম্ভাব্য সময়সীমা কত?

(ঙ) খাদ্য সুরক্ষা যোজনার আওতায় নতুন সদস্য সংযোজন, নাম সংশোধন এবং বঞ্চিত পরিবারগুলির অন্তর্ভুক্তির জন্য বরখলা সমষ্টিতে কোনো বিশেষ অভিযান গ্রহণের পরিকল্পনা রয়েছে কি? থাকলে তার বিস্তারিত বিবরণ কী?

*বিষয় ঃ* **অনলাইন সেৱা সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

৪৮৫। মাননীয় তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰী আৰু জনসাধাৰণৰ অধিকাংশ সেৱা অনলাইন পদ্ধতিৰে প্ৰদান কৰা হয়। এই পৰিপ্ৰেক্ষিতত আৰ্থিকভাৱে দুৰ্বল, গ্ৰাম্য অঞ্চলৰ বাসিন্দা, জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ব্যক্তি আৰু ডিজিটেল সাক্ষৰতাৰ অভাৱ থকা লোকসকল অনলাইন সেৱা লাভত সহায় কৰাৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি বা সকাহমূলক ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে সেই আঁচনিসমূহৰ নাম, সুবিধা, জিলাভিত্তিক উপভোক্তাৰ সংখ্যা কিমান?

(গ) ৰাজ্যৰ প্ৰতিখন গাঁও পঞ্চায়ত বা ৰাজহ চক্ৰত বিনামূলীয়া বা নামমাত্ৰ মাচুলত অনলাইন আবেদন, নথি আপলোড, ই-সেৱা আৰু ডিজিটেল সহায় আগবঢ়োৱাৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা আছে নে? যদি আছে বিতংভাৱে জনাব।

*বিষয় ঃ* **দক্ষতা বিকাশ**

শ্ৰীদীপক কুমাৰ দাস ঃ

৪৮৬। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

শৈক্ষিক, সামাজিক আৰু আৰ্থিক উন্নয়নৰ বাবে একাধিক কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। গতিকে এইক্ষেত্ৰত বৰপেটা জিলাৰ বড়ো জনগোষ্ঠীৰ শৈক্ষিক উৎকৰ্ষ, দক্ষতা বিকাশ আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰে কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কেনেধৰণৰ জনাব।

*Sub.* : **Prevention of Closure merger of 30 elementary schools in Hailakandi.**

Shri ZUBAIR ANAM MAZUMDER :

487. Will the Minister of School Education Department be pleased to state :

(a) Whether the Government has initiated as process via Director of Elementary Education's Order No. E-800096/583 dated 10-06-2026 to amalgamate and permanently close approximately 30 elementary schools in Hailakandi District due to student enrollment dropping below 30 ?

(b) Whether the Government will consider suspending these merger proceedings to grant these 30 schools a one-year probationary grace period to allow local guardians and Panchayat Raj Institution (PRI) members to actively drive up student enrollment ?

(c) Whether the Government will consider constituting a district-level committee comprising local MLAs, PRI representatives, guardians, local influential educationists and education department officials to review the specific terrain, distance, geographical conditions, and infrastructure issues of these proposed school mergers before taking a final decision ?

(d) What concrete guidelines exist under the current policy to ensure that a blanket amalgamation does not violate the Right to Education (RTE) framework by forcing primary school children to cross physical and unviable geographic barriers ?

*বিষয় ঃ* **ডিগবৈ তেল শোধনাগাৰৰ দায়বদ্ধতা সম্পৰ্কে।**

শ্ৰীসুৰেন ফুকন ঃ

৪৮৮। মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ চহৰত অৱস্থিত ভাৰতীয় তেল নিগম অসম তেল সংমণ্ডলৰ অধীনৰ ডিগবৈ তেল শোধনাগাৰৰ পাৰ্শ্ববৰ্তী অঞ্চলসমূহৰ লগতে জনসাধাৰণৰ বিকাশৰ বাবে সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত বিগত ৫ বছৰত কিমান পুঁজি আৰু কোন কোন শিতানত ব্যয় কৰিলে বিতংকৈ জনাব।

(খ) এছিয়াৰ প্ৰথমটো তেল শোধনাগাৰ অৱস্থিত ডিগবৈ চহৰত সামাজিক দায়বদ্ধতা আঁচনিৰে কি কি প্ৰকল্প গঢ়ি তোলা হৈছে তাৰো বিতং তথ্য প্ৰদান কৰিব।

*বিষয়ঃ* **Data Entry Operator দের অবহেলা সম্পর্কিত।**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৪৮৯। মাননীয় রাজহুৱা বিতরণ ও উপভোক্তা পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাছাড় জেলার বহু প্রকৃত ও যোগ্য উপভোক্তা, Data Entry অপারেটরদের অবহেলার কারণে এখনও পর্যন্ত NFSA রেশন কার্ড থেকে বঞ্চিত রয়েছেন এই ব্যাপারে সরকার অবগত কি? যদি অবগত তবে তথ্য সংশোধন এবং NFSA এর আওতায় অন্তর্ভুক্ত করার জন্য কি পদক্ষেপ গ্রহণ করা হয়েছে তাহা সদনে প্রদানের অনুরোধ জানাই।

(খ) Data Entry অপারেটরদের অনিয়ম কারণে অনেক পরিবারের ক্ষেত্রে একটি পরিবারের সদস্যদের নামে পৃথক পৃথক ৩/৪ টি রেশন কার্ড ইস্যু করা হয়েছে। সরকার এই বিষয়ে অবগত কি? যদি অবগত তবে বিষয়টি নিয়ে বিভাগীয় তদন্তের মাধ্যমে প্রয়োজনীয় ব্যবস্থা গ্রহণ করার জন্য সরকারের কাছে অনুরোধ জানাই।

(গ) বহু পরিবারের ক্ষেত্রে পরিবারের সকল সদস্যের নাম অন্তর্ভুক্ত করার জন্য আবেদন করা হলে ও দীর্ঘদিন অতিবাহিত হওয়ার পরও তা সম্পন্ন হয়নি। এ বিষয়ে সরকার অবগত কি? যদি অবগত তাহা বিস্তারিত তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **জনজাতি সম্পর্কিত**

ডঃ মিলন দাস ঃ

৪৯০। মাননীয় জনজাতি পরিক্রমা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) রিয়াং (ব্রু) এবং ত্রিপুরা জনগোষ্ঠীকে অসমে 'তফসিলি উপজাতি (পার্বত্য অঞ্চল)' হিসেবে স্বীকৃতি দেওয়া সত্বেও, সমতল অঞ্চলের জন্য প্রযোজ্য 'তফসিলি উপজাতি (সমতল) তালিকায় অন্তর্ভুক্ত না করার বিষয়টি কি সরকারের পক্ষ থেকে পর্যালোচনা করা হয়েছে? যদি হয়ে থাকে তাহলে তা সদনে জানাবেন।

(খ) সরকার কি এ বিষয়ে অবগত যে, রিয়াং (ব্রু) এবং ত্রিপুরা জনগোষ্ঠীর 'তফসিলি

উপজাতি (পার্বত্য অঞ্চল)' সম্প্রদায়ভুক্ত লোকেরা স্বাধীনতার আগে থেকেই আসামে বিশেষ করে বরাক উপত্যকায় স্থায়ীভাবে বসবাস করে আসছে' কিন্তু তারা এখনও শুধুমাত্র 'তফসিলি উপজাতি (পার্বত্য অঞ্চল)' হিসেবে স্বীকৃত থকায় 'তফসিলি উপজাতি (সমতল)' এর জন্য নির্ধারিত সুযোগ-সুবিধা পাচ্ছে না। যদি সেরকম হয়ে থাকে, তবে এই সম্প্রদায়গুলোর দীর্ঘদিনের স্থায়ী বসবাসের বিষয়টি বিবেচনা করে তাদের 'তফসিলি উপজাতি (সমতল)' হিসেবে স্বীকৃতি দেওয়ার জন্য সরকার কোনো উদ্যোগ নিয়েছেন কি? সদনে জানাবেন।

(গ) রিয়াং (ব্রু) ও ত্রিপুরা জনগোষ্ঠীদের অসমের তফসিলি উপজাতি (সমতল) তালিকায় অন্তর্ভুক্ত করার বিষয়ে সরকারের কোনো প্রস্তাব কি বিবেচনাধীন রয়েছে? যদি হয়ে থাকে তাহলে তার সদনে জানাবেন।

*বিষয় ঃ* অপ্রাদেশীকৃত বিদ্যালয়

শ্রীধর্মেশ্বৰ ৰয় ঃ

৪৯১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে বজালী মহাবিদ্যালয়ক ভট্টদেৱ বিশ্ববিদ্যালয়লৈ উন্নীত কৰিলে যদিও ভট্টদেৱ বিশ্ববিদ্যালয়ৰ চৌহদ পাঠশালাৰ পৰা মেধিকুছিলৈ স্থানান্তৰ কৰা হৈছে। উক্ত মহাবিদ্যালয়খন পূৰ্বৰ স্থানতে বাহাল ৰখাৰ বাবে ৰাইজে চৰকাৰক আবেদন জনাইছে। এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) বৰ্তমান অসমত মুঠ কিমানখন অপ্রাদেশীকৃত বিদ্যালয় আছে? বজালী সমষ্টিত কিমানখন এনে বিদ্যালয় আছে আৰু এই সমূহ কেতিয়া প্রাদেশিকীকৰণ কৰিব? সম্পূৰ্ণ তালিকা দিব।

*বিষয় ঃ* ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত সম্পৰ্কে।

শ্রীটংকেশ্বৰ ৰাভা ঃ

৪৯২। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱৰ বৰ্তমান স্থিতি কি?

(খ) এই বিষয়ত ৰাজ্য চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰৰ মাজত এতিয়ালৈ কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে?

(গ) Interlocutor (মধ্যস্থতাকাৰী) নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমান কি অগ্ৰগতি হৈছে আৰু কেতিয়ালৈ এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে?

*বিষয় ঃ* ৰেচন কাৰ্ডৰ সমস্যা

শ্ৰীমতী বেবী বেগম ঃ

৪৯৩। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্তমান সৰ্বমুঠ কিমানটা পৰিয়াল আছে? এই পৰিয়ালবোৰৰ মাজত কিমানটা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ আৰু কিমানটা পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰি আছে? (জিলাভিত্তিক বিস্তৃত তথ্য পৃথকে দাখিল কৰিব।)

(খ) ৰাজ্যখনত থকা সৰ্বমুঠ পৰিয়ালৰ বিপৰীতে কিমানটা পৰিয়ালৰ ৰেচন কাৰ্ড আছে? ৰেচন কাৰ্ড থকা পৰিয়ালবোৰৰ ভিতৰত কিমানটা এ পি এল আৰু কিমানটা বি পি এল পৰিয়াল? (বিস্তৃত তথ্য দাখিল কৰিব।)

(গ) একাংশ বি পি এল পৰিয়ালে এতিয়াও ৰেচন কাৰ্ড নোপোৱাকৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে? যদি হয়, তেনে পৰিয়াল সমূহক ৰেচন কাৰ্ড যোগান ধৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'বনে? (বিস্তৃত তথ্যসহ দিব)।

(ঘ) এ পি এল তালিকাভুক্ত একাংশ পৰিয়ালৰ বহু সময়ত আকস্মিক ভাৱে উপাৰ্জন হ্ৰাস পালে তেনে পৰিয়ালবোৰক জৰুৰী ভিত্তিক বি পি এল ৰেচন কাৰ্ড যোগান ধৰাৰ কোনো ব্যৱস্থা আছেনে? জনাব।

(ঙ) ৰেচন ব্যৱস্থা সাৰ্বজনীন কৰিবলৈ ১০০ শতাংশ পৰিয়ালক ৰেচন কাৰ্ড যোগানৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'বনে? জনাব।

*বিষয় ঃ* **Tutor নিযুক্তি সম্পৰ্কে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৪৯৪। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

জলেশ্বৰ সমষ্টিৰ লক্ষীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত - Tekona ME Madrassa ত যোৱা 05-01-2021 চনত 2017 Act মতে তিনিজন Tutor ৰ নিযুক্তিৰ চৰকাৰী অনুমোদন পোৱা স্বত্বেও এজনক Tutor হিচাপে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। 2020 চনতে ৰুজু হোৱা Case টো 2020 চনতেই শেষ হৈছে যদিও আজিলৈ বাকী থকা Tutor দুজনক কিয় নিযুক্তি প্ৰদান কৰা হোৱা নাই? এই বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, বাকী থকা Tutor দুজনক কেতিয়া নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **বিদ্যালয় উন্নয়নৰ সন্দৰ্ভত**

শ্ৰীৰমাকান্ত দেউৰী ঃ

৪৯৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও সমষ্টিত কিমানখন মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, প্ৰাথমিক বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিব বাকী আছে? তথ্য সহকাৰে জনাব।

(খ) মৰিগাঁও সমষ্টিত কিমানখন বিদ্যালয়ত পূৰ্ণাংগ নিৰ্মাণ আৰু মেৰামতিৰ বাবদ কিমান টকাকৈ আবণ্টন পোৱা গৈছে? তথ্য সহকাৰে জনাব।

(গ) মৰিগাঁও সমষ্টিত বৰ্তমানে কিমানখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ আছে? এই পদসমূহ পূৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছেনে? তথ্য সহকাৰে জনাব।

(ঘ) উক্ত সমষ্টিত বাকী থকা জৰাজীৰ্ণ বিদ্যালয়সমূহ মেৰামতি তথা পুনৰ নিৰ্মাণৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

*বিষয় ঃ* **ছাত্ৰ-ছাত্ৰী নামভৰ্ত্তি আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সম্পৰ্কে।**

শ্ৰীভূপেন ৰায় ঃ

৪৯৬। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তি সম্পৰ্কত চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, চলিত বৰ্ষত ক্ৰমে HS/ B.A/B.SC/B.COM আদি ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা কিমান? অনুগ্ৰহ কৰি জনাব।

(গ) ছাত্ৰ-ছাত্ৰী অনুযায়ী মহাবিদ্যালয় সমূহত প্ৰয়োজন অনুযায়ী শ্ৰেণী কোঠা আছেনে?

(ঘ) যদি নাই, মহাবিদ্যালয় সমূহত শ্ৰেণী কোঠা নিৰ্মাণৰ বাবে আৰ্থিক অনুদান দিব নে?

*বিষয় ঃ* **বৰজানা আদৰ্শ বিদ্যালয় নিৰ্মাণ**

মোঃ নুৰুল ইছলাম ঃ

৪৯৭। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰজানাত এখনি আদৰ্শ বিদ্যালয় নিৰ্মাণৰ কাম চলি থকাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি হয়, বিদ্যালয়খন নিৰ্মাণৰ বাবে কিমান টকা আৱণ্টন দিয়া হৈছে? ইয়াৰে কিমান টকা মোকলাই দিয়া হৈছে? (বিস্তৃত তথ্যসহ দিব।)

(খ) বিদ্যালয়খন নিৰ্মাণৰ ঠিকা আৱণ্টনৰ ক্ষেত্ৰত সকলো বিধিগত নীতি-নিয়ম পালন কৰা হৈছে নে? যদি হয়, এই কামৰ বাবে কিমানটা প্ৰতিষ্ঠানে নিবিদা দাখিল কৰিছিল? ইয়াৰে কি কি বিশেষ অৰ্হতাৰ আধাৰত ইয়াৰ নিবিদা আৱণ্টন দিয়া হৈছে? (বিস্তৃত তথ্যসহ দিব।)

(গ) বিদ্যালয়খন নিৰ্মাণৰ কাম আৱণ্টনৰ সময়ত জাৰি কৰা সকলো চৰ্ত নিৰ্মাণ কাৰ্য্য সম্পাদনৰ ক্ষেত্ৰত পালন কৰা হৈছে নে? জনাব।

(ঘ) বিদ্যায়খন নিৰ্মাণৰ ৱৰ্ক অৰ্ডাৰ কেতিয়া জাৰি কৰা হৈছে? বৰ্তমানলৈকে এই কাম কিমানখিনি সম্পূৰ্ণ হৈছে? এই কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব? (বিস্তৃত তথ্যসহ দিব।)

---

Assam Government Press 139/26-LAQ-600-02-07-2026